# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। লোকসভা আৰু ৰাজ্যসভাত আজি কৰ্ণাটকৰ উপ মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰৰ সংবিধান সংশোধন সন্দৰ্ভত কৰা এটা মন্তব্যক লৈ হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়।

২। লোকসভাত আজি ২০২৫ বৰ্ষৰ বিত্তীয় বিধেয়ক সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে।

৩। কেন্দ্ৰীয় চৰকাৰে পিয়াঁজ ৰপ্তানীৰ ওপৰত ২০ শতাংশ শুল্ক প্ৰত্যাহাৰ কৰা বুলি কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় চৰকাৰে সাংসদ আৰু প্ৰাক্তন সাংসদসকলৰ দৰমহা, দৈনিকভাট্টা আৰু পেঞ্চন বৃদ্ধিৰ জাননী জাৰি কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ডেলহী কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে খেলিব।

ooooo

লোকসভা আৰু ৰাজ্যসভাত আজি কৰ্ণাটকৰ উপ মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে এটা বিশেষ সংখ্যালঘু সম্প্ৰদায়ৰ সংৰক্ষণৰ বাবে সংবিধান সংশোধন কৰা সন্দৰ্ভত কৰা মন্তব্যক লৈ হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। ৰাজ্যসভা দিনটোৰ বাবে স্থগিত ৰখা হয় আৰু লোকসভা এই বিষয়টোক লৈ দুবাৰ স্থগিত ৰাখিবলগীয়া হয়। দ্বিতীয়বাৰ স্থগিত ৰখাৰ পাছত দিনৰ ২ বাজি ১৫ মিনিটত ৰাজ্যসভা পুনৰ মিলিত হোৱাৰ সময়ত লোকসভাই পাৰিত কৰা তৈলক্ষেত্ৰ সংশোধনী বিধেয়ক ২০২৪ ত ৰাজ্যসভাই অনুমোদন জনায়। হুলস্থুলীয়া পৰিস্থিতি অব্যাহত থকাৰ পাছত ৰাজ্যসভা দিনটোৰ বাবে স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে স্থগিত ৰখা ৰাজ্যসভা দিনৰ ২ বজাত প্ৰথমবাৰ মিলিত হোৱাৰ সময়ত ৰাজ্যসভাৰ বিৰোধী নেতা মল্লিকাৰ্জুন খাৰ্গে কয়, যে কৰ্ণাটকৰ উপ মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে সংবিধান সংশোধনৰ সন্দৰ্ভত কোনো ধৰণৰ মন্তব্য দিয়া নাছিল যদিও শাসনাধিস্থিত দলৰ নেতাসকলে এই বিষয়টোক বাৰে বাৰে উত্থাপন কৰিছে। তেওঁ কংগ্ৰেছে সংবিধানক সুৰক্ষা প্ৰদান কৰি আছে বুলি মন্তব্য কৰি কয় যে দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ বাসগৃহত নগদ ধন উদ্ধাৰ কৰা ঘটনাটোৰ পাছত ভাৰতীয় জনতা পাৰ্টীয়ে এই বিষয়টো আন দিশলৈ লৈ যোৱাৰ বাবে এই কথা উত্থাপন কৰিছে। ৰাজ্যসভাৰ নেতা জে পি নাড্ডাই শ্ৰীখাৰ্গেক প্ৰত্যুত্তৰ দি কংগ্ৰেছে সদনত কেতিয়াও সচা কথা নকয় বুলি অভিযোগ কৰে। তেওঁ কয়, যে কৰ্ণাটকৰ কংগ্ৰেছ শাসনাধিস্থিত চৰকাৰে ইতিমধ্যে চৰকাৰী কাম-কাজত এটা বিশেষ সম্প্ৰদায়ৰ বাবে ৪ শতাংশ সংৰক্ষণ দিছে। শ্ৰীনাড্ডাই কয়, যে ড০ বি আৰ আম্বেদকাৰ আৰু চৰ্দাৰ বল্লভ ভাই পেটেলে ধৰ্মৰ ভিত্তিত সংৰক্ষণৰ তীব্ৰ বিৰোধিতা কৰিছিল। তেওঁ লগতে কয়, যে তেলেংগানাৰ কংগ্ৰেছ চৰকাৰে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য

পিছপৰা  শ্ৰেণীৰ সংৰক্ষণৰ বিপৰীতে গৈ ৰাজ্যখনৰ এটা বিশেষ সংখ্যালঘু সম্প্ৰদায়ৰ বাবে বিশেষ কোটাৰ ব্যৱস্থা কৰিছে। হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশে ২ বাজি ১৫ মিনিটত সদন দিনটোৰ বাবে স্থগিত ঘোষণা কৰে।

পুৱাৰ ভাগত ৰাজ্যসভা মিলিত হোৱাৰ সময়ত শাসকীয় দলৰ  সাংসদসকলে বিষয়টোক লৈ প্ৰতিবাদ সাব্যস্ত কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে এটা বিশেষ সংখ্যালঘু সম্প্ৰদায়ক সংৰক্ষণৰ দিশে আগবঢ়াই নিয়া কংগ্ৰেছে ড০ বি আৰ আম্বেদকাৰক   অৱমাননা কৰিছে। তেওঁ কৰ্ণাটকৰ উপ মুখ্যমন্ত্ৰীগৰাকীৰ পদত্যাগ দাবী উত্থাপন কৰে।

লোকসভা প্ৰথম স্থগিতাদেশৰ পাছত দুপৰীয়া ১২ বজাত পুনৰবাৰ মিলিত হোৱাৰ সময়ত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে ধৰ্মৰ ভিত্তিত সংৰক্ষণৰ প্ৰসংগতো ১৯৪৭ চনতে উত্থাপিত হৈছিল আৰু তেতিয়াৰ প্ৰভাৱশালী নেতাসকলে সেই বিষয়টো অগ্ৰাহ্য কৰিছিল।

ooooo

লোকসভাত আজি ২০২৫ বৰ্ষৰ বিত্তীয় বিধেয়ক সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে। আলোচনা আৰম্ভ কৰি কংগ্ৰেছৰ শশী থাৰুৰে দেশৰ সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থা বৰ জটিল বুলি মন্তব্য কৰে। তেওঁ কয়, যে মিষ্টান্নৰ সৰু সৰু ব্যৱসায়িক প্ৰতিষ্ঠানে ১৮ শতাংশ সামগ্ৰী আৰু সেৱা কৰ পৰিশোধ কৰিবলগীয়া হৈছে কিন্তু নামাকৰণৰ একৰূপতা প্ৰণালী - এইচ এছ এন কোডৰ এটা যথোচিত ব্যৱস্থা নথকাৰ ফলত সেইসমূহে ইনপুত ক্ৰেডিট লাভ কৰিব পৰা নাই। শ্ৰীথাৰুৰে কৰ আদায় দিয়া জনসাধাৰণে উপযুক্ত ৰেহাই লাভ কৰা উচিত বুলিও মন্তব্য কৰে। বিজেপিৰ নিশিকান্ত দুবেই আলোচনাত অংশ লৈ কয়, যে বিশ্বৰ বিভিন্ন প্ৰান্তই অৰ্থনৈতিক সংকটৰ সৈতে যুঁজ দি থকাৰ সময়তে আমাৰ দেশ যোৱা দহ বছৰত অৰ্থনৈতিক ক্ষেত্ৰখনত উজলি উঠিছে। তেওঁ কয় যে অনলাইন গেমিঙৰ অনিয়ন্ত্ৰিত বৃদ্ধি প্ৰতিহত কৰিবলৈ এই বিধ গেমিঙত ২৮ শতাংশ সামগ্ৰী আৰু সেৱা কৰ আৰোপ কৰা হৈছে। সমাজবাদী পাৰ্টীৰ নিৰজ মৌৰ্য্যই চৰকাৰে বাজেটত অনুসূচীত জাতি, অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকল তথা সংখ্যালঘুসকলৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰা উচিত বুলি মন্তব্য কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰে পিয়াঁজ ৰপ্তানীৰ ওপৰত ২০ শতাংশ শুল্ক প্ৰত্যাহাৰ কৰা বুলি কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীচৌহানে কয়, যে এই সিদ্ধান্তৰ ফলত কৃষকসকলৰ কষ্টোপাৰ্জিত  সামগ্ৰীবিধে শুল্কবিহীনভাৱে বিশ্বৰ বজাৰলৈ প্ৰসাৰ লাভ কৰিব আৰু ইয়াৰ জৰিয়তে তেওঁলোক অধিক লাভান্বিত হ'ব। তেওঁ লগতে নৰেন্দ্ৰ মোদী চৰকাৰক কৃষকৰ বন্ধুৰূপে অভিহিত কৰি এই চৰকাৰে কৃষকসকলক উপযুক্ত মূল্য প্ৰদানত অগ্ৰাধিকাৰ দিয়া বুলি মন্তব্য কৰে।

উল্লেখযোগ্য যে, ঘৰুৱা বজাৰত উপলব্ধতা সুনিশ্চিত কৰাৰ উদ্দেশ্যে যোৱা বছৰ ১৩ ছেপ্তেম্বৰত পিয়াজৰ ওপৰত ২০ শতাংশ ৰপ্তানি শুল্ক আৰোপ কৰা হৈছিল।

ooooo

কেন্দ্ৰীয় চৰকাৰে সাংসদ আৰু প্ৰাক্তন সাংসদসকলৰ দৰমহা, দৈনিকভাট্টা আৰু পেঞ্চন বৃদ্ধিৰ জাননী জাৰি কৰিছে। এই অনুসৰি সাংসদসকলৰ মাহিলি দৰমহা এতিয়াৰ এক লাখ টকাৰ পৰা এক লাখ ২৪ হাজাৰ টকালৈ বৃদ্ধি

কৰা হ'ব। একেদৰে দৈনিক ভাট্টা বৰ্তমানৰ দুহেজাৰৰ পৰা দুহেজাৰ ৫০০ টকালৈ বৃদ্ধি কৰা হ'ব। প্ৰাক্তন সাংসদসকলৰ মাহিলি পেঞ্চন ২৫ হাজাৰ টকাৰ পৰা ৩১ হাজাৰ টকালৈ বৃদ্ধি কৰা হ'ব বুলি জাননীত উল্লেখ কৰা হৈছে। এই বৃদ্ধি ২০২৩ বৰ্ষৰ এক এপ্ৰিলৰ পৰা কাৰ্যকৰী কৰা হ'ব।

০০০০০

ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ বাসগৃহত নগদ ধন উদ্ধাৰ কৰা বিষয়টো সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰিছে। শ্ৰীধনখড়ে আজি ৰাজ্যসভাৰ নেতা জে পি নাড্ডা আৰু বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গেৰ সৈতে এই বিষয়টো সন্দৰ্ভত আলোচনা কৰে। শ্ৰীধনখড়ে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাক এই সন্দৰ্ভত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে প্ৰশংসা কৰে। তেওঁ মুখ্য ন্যায়াধীশ গৰাকীক ইয়াৰ বাবে এখন বিশেষ সমিতি গঠন কৰাৰ বাবে বিবেচনা কৰিবলৈ আহ্বান জনায়। ৰাজ্যসভাৰ সভাপতিগৰাকীয়ে এই ক্ষেত্ৰত মল্লিকাৰ্জুন খাৰ্গে আৰু জে পি নাড্ডাই আগবঢ়োৱা পৰামৰ্শ প্ৰেৰণ কৰিব। তেওঁ লগতে কয়, যে এই বিষয়টো সন্দৰ্ভত আলোচনাৰ বাবে সদনৰ নেতা আৰু মন্ত্ৰী পৰিষদৰ বৈঠক আহ্বান কৰিব।

০০০০০

চৰকাৰে জানিবলৈ দিছে যে চলিত বৰ্ষৰ জানুৱাৰী মাহত কৰ্মচাৰী ৰাজ্যিক বীমা আঁচনিত প্ৰায় ১৮ লাখ নতুন কৰ্মচাৰী অন্তৰ্ভুক্ত হৈছে। কৰ্মচাৰী ৰাজ্যিক বীমা আঁচনিৰ আজি জাৰি কৰা বিশেষ তথ্য অনুসৰি কৰ্মচাৰীসকলৰ সামাজিক সুৰক্ষা সুনিশ্চিত কৰাৰ প্ৰতি লক্ষ্য ৰাখি চলিত মাহত এই আঁচনিৰ অধীনলৈ ২৭ হাজাৰ ৮০৫ নতুন প্ৰতিষ্ঠানক অনা হৈছে। এইবুলি জানিবলৈ দিছে যে জানুৱাৰী মাহত অন্তৰ্ভুক্ত হোৱা মুঠ ১৮ লাখ ১৯ হাজাৰ কৰ্মচাৰীৰ ভিতৰত ২৫ বছৰ অনুৰ্ধ প্ৰায় ৮ লাখ ৭৮ হাজাৰ কৰ্মচাৰী অন্তৰ্ভুক্ত হৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ডেলহী কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে খেলিব। বিশাখাপট্টনমত খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

অহা ২৬ আৰু ৩০ মাৰ্চত গুৱাহাটীৰ বৰ্ষাপাৰাস্থিত অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট খেল দুখনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। উল্লেখযোগ্য যে ২৬ মাৰ্চত হ'বলগীয়া খেলখনৰ বাবে ৰাজস্থান ৰয়েলছ আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ দল ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে।

০০০০০

খেলো ইণ্ডিয়া পেৰা গেমছৰ পঞ্চম দিনাও পেৰা এথলীটসকলে তেওঁলোকৰ একনিষ্ঠ আৰু অনবদ্য প্ৰদৰ্শন অব্যাহত ৰাখিছে। আজি নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত শক্তি উত্তোলন শিতানত এথলীটসকলে তীব্ৰ প্ৰতিদ্বন্দিতা আগবঢ়ায়। মহিলাৰ ৫৫ কিলোগ্ৰাম শাখাত সুমন দেৱীয়ে সোণৰ, জেছমীন মিছলীনে ৰূপৰ আৰু ভাৰতী আগৰৱালে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। পুৰুষৰ ৫৯ কিলোগ্ৰাম শাখাত গুলফাম আহমেদে সোণৰ, ৱি সৰাৱননে ৰূপৰ আৰু গৌৰৱে ব্ৰঞ্জৰ পদক দখল কৰে। মহিলাৰ ৬১ কিলোগ্ৰাম শাখাত সীমা ৰাণীয়ে সোণৰ, জৈনৱ খাতুনে ৰূপৰ আৰু এম নাথিয়াই ব্ৰঞ্জৰ পদক অৰ্জন কৰে। তেনেদৰে পুৰুষৰ ৬৫ কিলোগ্ৰাম শাখাত জবি মেথিউয়ে সোণৰ, অৰবিন্দ মকৱানাই ৰূপৰ আৰু গদাধৰ সাহুৱে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **যক্ষ্মা ৰোগৰ প্ৰতিৰোধ আৰু নিৰ্মূল** বিষয় সন্দৰ্ভত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ উপ-সঞ্চালক প্ৰধান ডাঃ উৰ্বশী বি সিং আৰু নতুন দিল্লীৰ ছফদৰ্জং চিকিৎসালয়ৰ শ্বাস-প্ৰশ্বাসজনিত চিকিৎসা বিভাগৰ মুৰব্বী ডাঃ ৰোহিত কুমাৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **যক্ষ্মাৰোগ কেনেদৰে চিনাক্ত কৰিব পৰা যায় আৰু এই ৰোগৰ প্ৰতিৰোধ তথা নিৰ্মূল** সন্দৰ্ভত সমল ব্যক্তিসকলক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰাৰ লগতে সামাজিক মাধ্যম **এক্সত, হেছটেগ AskAir** ৰ জৰিয়তেও প্ৰশ্ন সুধিব পাৰিব।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**